# 2 0 1 2

# ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। পোনপটীয়া উত্তৰ দিয়া : ১×১০=১০

(ক) শংকৰদেৱৰ দ্বাৰা প্ৰথম লিখিত নাটখন কি ?

(খ) 'শৰাগুৰি চাপৰি' নাটকখনৰ সমল ঘাইকৈ কি গ্ৰন্থৰ পৰা লোৱা হৈছে ?

(গ) শ্ৰীকৃষ্ণই কালী নাগক কালিন্দী হ্ৰদৰ পৰা ক'লৈ খেদি পঠাইছিল ?

(ঘ) 'খেকাৰ খোৱাৰ পো'ৰ ঘৰ ক'ত ?

(ঙ) ড০ ভবেন্দ্ৰনাথ শইকীয়াৰ প্ৰথম পূৰ্ণদৈৰ্ঘ্যৰ নাটকখনৰ নাম কি ?

(চ) ব্ৰজাৱলী ভাষাৰ ভেটি কি ?

(ছ) ছাহ মিলন কোন দেশৰ পৰা অসমলৈ আহিছিল ?

(জ) "মোৰ নিচিনা ৰান্ধনী উচতাই জোল খোৱা মানুহনো কোন আছে?" বক্তাজন কোন?

(ঝ) বিজুলীয়ে কাৰ কাপোৰ পিন্ধি কলেজলৈ গৈছিল?

(ঞ) "তবে এথাতে ৰজনী বঞ্চহ।" শ্ৰীকৃষ্ণই ক'ত ৰজনী বঞ্চিবলৈ কৈছিল?

২। অতি চমু উত্তৰ দিয়া : ২×৫=১০

(ক) কালী নাগৰ ফণাত উঠি শ্ৰীকৃষ্ণই নৃত্য কৰাত কালী নাগৰ অৱস্থা কেনে হৈছিল?

(খ) "এয়া মহাপ্ৰলয়ৰ সূচনা ফকিৰ বাবা।" মহাপ্ৰলয়ৰ সূচনা কেনেদৰে হৈছিল?

(গ) 'মহৰী' নাটকৰ মাকৰী মেমৰ বাহিৰে আন নাৰী চৰিত্ৰ দুটিৰ পৰিচয় দিয়া।

(ঘ) ডি. এছ. পি.-ৰ লগত মালিনী কলেজলৈ কিয় আহিছিল?

(ঙ) কাৰ আদেশত, কোনে আজান ফকিৰক শৰাগুৰি চাপৰিত মঠ বনাই দিছিল?

৩। চমুকৈ উত্তৰ দিয়া : ৫×৪=২০

(ক) স্বামীৰ জীৱন ভিক্ষা মাগি নাগপত্নীসকলে শ্ৰীকৃষ্ণক কেনেদৰে স্তুতি কৰিছিল, লিখা।

(খ) 'শৰাগুৰি চাপৰি' নাটখনৰ স্ত্ৰীচৰিত্ৰকেইটা উল্লেখ কৰি প্ৰধান চৰিত্ৰটিৰ পৰিচয় দিয়া।

(গ) ঔগুৰি চাহ বাগিছালৈ ভাবিৰাম কেনেকৈ গৈছিল আৰু কিয় তেনেকৈ গৈছিল ?

(ঘ) "আমি সকলো এৰিছো। সমুখত ৰাখিছো কেৱল এটা উদ্দেশ্য। কেৱল এটা।" সন্ত্ৰাসবাদী তিনিজনৰ উদ্দেশ্যটো কি ?

৪। (ক) শ্ৰীকৃষ্ণ চৰিত্ৰত মানবীয় আৰু ঐশ্বৰিক ৰূপ কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা। ১০

*অথবা*

'কালিয় দমন' নাটখনিৰ বিষয়বস্তু কি কি গ্ৰন্থৰ পৰা চয়ন কৰা হৈছে, আলোচনা কৰা।

(খ) 'শৰাগুৰি চাপৰি' নাটকখনত হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাণী কেনেদৰে প্ৰচাৰিত হৈছে, আলোচনা কৰা। ১০

*অথবা*

'শৰাগুৰি চাপৰি' ঐতিহাসিক নাট নে ঐতিহাসিক পটভূমিত ৰচিত সামাজিক নাটক, বিচাৰ কৰা।

(গ) 'মহৰী' নাটকখনত হাস্যৰস সৃষ্টিৰ বাবে কি কি পন্থা লোৱা হৈছে, আলোচনা কৰা। ১০

*অথবা*

'মহৰী' নাটকখনত প্ৰতিফলিত সমসাময়িক সমাজখনৰ বৰ্ণনা দিয়া।

(ঘ) সন্ত্ৰাসবাদী মনোহৰ, ভাস্কৰ আৰু মৃণালৰ অৱদমিত কোমল হৃদয়ত লুকাই থকা মানবীয় সত্তাৰ পৰিচয় দিয়া। ১০

*অথবা*

দৃশ্য সজ্জা আৰু ৰূপসজ্জাৰ নিৰ্দেশৰ লগতে সংগীত আৰু পোহৰ ব্যৱহাৰৰো নিৰ্দেশ—আধুনিক নাটকৰ এই বিশেষ বৈশিষ্ট্য 'এজাক জোনাকীৰ জিলমিল' নাটকখনত কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

★★★